জনসংযোগ, অসম　　　　　　　　　　　　চি এম পি আৰ চেল, প্ৰেছ বাৰ্তা ঃ ২৫১

## ইণ্ডিয়া টুডেৰ মাইণ্ড ৰকচ্ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

# যুৱক-যুৱতীসকলে অসমৰ প্ৰতি থকা ধাৰণা সলনি কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৯ এপ্ৰিল ঃ** 'অসমক কেৱল মাত্ৰ এখন সমস্যা বহুল ৰাজ্য হিচাপে ধাৰণা কৰিলে নহ'ব। ৰাজ্যখনৰ প্ৰচুৰ সম্ভাৱনীয়তাখিনি উপযুক্তভাৱে তুলি ধৰি আমি এই ধাৰণা সলনি কৰিব লাগিব। আমাৰ যুৱক-যুৱতীসকলে ৰাজ্যখনৰ বাহিৰৰ লোকে ৰাজ্যখনৰ বিষয়ে কৰা ধাৰণাৰ সলনি কৰাৰ বাবে বিশেষ উদ্যোগ ল'ব লাগিব।' আজি মহানগৰীৰ তাজ বিভান্টা হোটেলত ইণ্ডিয়া টুডে গ্ৰুপে আয়োজন কৰা 'মাইণ্ড ৰকচ্' শীৰ্ষক অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

ৰাজ্যখনৰ যুৱক-যুৱতীসকলক তেওঁলোকৰ মাজত থকা সম্ভাৱনীয়তা খিনি উপলব্ধি কৰি সমাজলৈ দায়বদ্ধভাৱে সেৱা আগবঢ়োৱাৰ বাবে  মুখ্যমন্ত্ৰীয়ে  আহ্বান জনায় যাতে ৰাজ্যখনক দেশৰ ভিতৰতে এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়ি তুলিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে প্ৰশাসন যন্ত্ৰৰ পৰা দুৰ্নীতি নিৰ্মূল কৰাটো বৰ্তমানৰ ৰাজ্য চৰকাৰখনৰ এক মুখ্য অগ্ৰাধিকাৰৰ বিষয় আৰু এই ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰশাসন যন্ত্ৰৰ দুৰ্নীতিৰ পৰিমান ৩০ শতাংশৰ পৰা ১৮ শতাংশলৈ হ্ৰাস পাইছে বুলি এক নিৰপেক্ষ অধ্যয়নৰ উদ্ধৃতিৰ কথা দাঙি ধৰি চৰকাৰে ৰাইজৰ সহযোগত লোৱা পদক্ষেপ সমূহৰ ফলশ্ৰুতিতে ই সম্ভৱ হৈ উঠিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

বৰ্তমানৰ ৰাজ্য চৰকাৰখনে দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰা দিশটো প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়েও প্ৰশংসা কৰিছে বুলি উল্লেখ কৰি প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অসম চৰকাৰে দুৰ্নীতিৰ বিৰুদ্ধে চলোৱা নিৰৱচ্ছিন্ন এই প্ৰয়াস এক উদাহৰণ হিচাপে থিয় দিছে বুলিও উল্লেখ কৰা কথাটো মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে।

ৰাজ্যখনৰ প্ৰচুৰ সম্ভাৱনীয়তাখিনি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উপযুক্তভাৱে তুলি ধৰাৰ ক্ষেত্ৰত ৰাজ্যখনৰ যুৱক-যুৱতীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিগত বৰ্ষৰ তুলনাত ৰাজহ আহৰণৰ ক্ষেত্ৰত ২১ শতাংশ বৃদ্ধি হোৱাটো এক আশাপ্ৰদ দিশ। এই ৰাজহ বৃদ্ধিৰ জৰিয়তে ৰাজ্যখনৰ অৰ্থনীতি শক্তিশালী হোৱাৰ উপৰি উন্নয়নৰ গতি ত্বৰান্বিত হোৱাৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিব।

অসমক এখন প্ৰচুৰ সম্ভাৱনীয়তা আৰু প্ৰাচুৰ্যতাৰে পৰিপূৰ্ণ ৰাজ্য বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ প্ৰচুৰ সম্ভাৱনীয়তা, প্ৰাচুৰ্যতা, প্ৰাকৃতিক সৌন্দৰ্য্যৰ সৈতে বাহিৰৰ মানুহক চিনাকি কৰাই দিয়াৰ উদ্দেশ্যে বৰ্তমানৰ ৰাজ্য চৰকাৰে 'ডিস্ক'ভাৰী অৰ আছাম'ৰ লেখীয়া কাৰ্যসূচী গ্ৰহণ কৰিছে। ৰাজ্যখনৰ যুৱক-যুৱতী সকলক এই কাৰ্যসূচী সফল কৰাৰ ক্ষেত্ৰত সৰ্বতোপ্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

ব্ৰহ্মপুত্ৰৰ প্ৰচুৰ সম্ভাৱনীয়তাখিনি উপযুক্তভাৱে তুলি ধৰাৰ বাবে 'নমামি ব্ৰহ্মপুত্ৰ উৎসৱ' আয়োজন কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে ব্ৰহ্মপুত্ৰৰ বুকু খননৰ জৰিয়তে ব্ৰহ্মপুত্ৰৰ বানপানী সমস্যা সমাধানৰ উপৰি ব্ৰহ্মপুত্ৰক এক গুৰুত্বপূৰ্ণ জলপথ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত সহায়ক হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। যুৱক-যুৱতীসকলক অত্যন্ত ঐকান্তিকতা আৰু উৎসৰ্গিত মনোভৱেৰে তেওঁলোকে বাচি লোৱা ক্ষেত্ৰখনত সফলতা লাভ কৰাৰ বাবে কৰ্মত ব্ৰতী হ'বলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায় যাতে ৰাজ্যখনৰ সৰ্বাংগীন উন্নয়নৰ দিশত তেওঁলোকে এক নতুন গতি প্ৰদান কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে লগতে যুৱক-যৰতীসকলক ক্ৰীড়াক তেওঁলোকৰ জীৱনৰ অংগ হিচাপে লৈ ক্ৰীড়া জগতত ৰাজ্যখনৰ নাম উজলাই তোলাৰ বাবে প্ৰচেষ্টা কৰিবলৈও আহ্বান জনায়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰে ইতিমধ্যে গুৱাহাটীক দেশৰ ক্ৰীড়া ৰাজধানী হিচাপে গঢ়ি তোলাৰ বাবে কাম কৰি আছে।

অনুষ্ঠানৰ শেষত মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী হৈ থাকোতে লাভ কৰা কিছু মনোগ্ৰাহী অভিজ্ঞতা ব্যক্ত কৰাৰ লগতে প্ৰাত্যহিক জীৱনত নিজকে সুস্থ কৰি ৰখাৰ ক্ষেত্ৰত তেওঁ লোৱা পদক্ষেপ সমূহৰ বিষয়েও বাখ্যা কৰে। অনুষ্ঠানত উপস্থিত থকা কিয়দংশ যুৱক-যুৱতীয়ে মুখ্যমন্ত্ৰীক বিহু এফাকি গোৱাৰ বাবে অনুৰোধ কৰাত মুখ্যমন্ত্ৰীয়ে এটা বিহু গীতৰ কেইটামান শাৰীও পৰিৱেশন কৰে।

আজিৰ এই অনুষ্ঠানত বিত্ত মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, বিধায়ক বিনোদ হাজৰিকা, মুখ্যসচিব বিনোদ কুমাৰ পিপাৰচেনীয়াকে ধৰি বহু সংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত আছিল।

স্বাঃডেঃ / বঃভাঃ
২৯/৪/২০১৭